# প্ৰদীপ

অসমীয়া গৱেষণাৰ প্ৰণালীতত্ত্বৰ ষ্টুডিঅ’

## ব্যৱহাৰ-সহায়িকা

স্নাতক, স্নাতকোত্তৰ আৰু পিএইচ.ডি. গৱেষণাৰ প্ৰস্তাৱ, অধ্যায় বিভাজন আৰু গ্ৰন্থপঞ্জী প্ৰস্তুতিৰ বিনামূলীয়া সহায়ক

AANK_A Creative Line

পৰিকল্পনা আৰু বিষয়বস্তু
ড° মৃণাল জ্যোতি গোস্বামী

মোৰ গৱেষণা-গুৰু

অধ্যাপক প্ৰদীপজ্যোতি মহন্ত চাৰৰ হাতত

শিষ্যৰ সশ্ৰদ্ধ প্ৰণাম আৰু কৃতজ্ঞতা স্বৰূপে অৰ্পণ কৰিলোঁ

মৃণাল জ্যোতি গোস্বামী


**প্ৰদীপ: অসমীয়া গৱেষণাৰ প্ৰণালীতত্ত্বৰ ষ্টুডিঅ’**
**সংস্কৰণ ১ · ব্যৱহাৰ-সহায়িকা**

| | |
|---|---|
| নিৰ্মাণ | AANK_A Creative Line |
| পৰিকল্পনা আৰু বিষয়বস্তু | ড° মৃণাল জ্যোতি গোস্বামী |
| যোগাযোগ | mrinal.goswami2026@gmail.com |
| অসমীয়া আখৰ | বাণীকান্ত ফণ্ট, অসম প্ৰকাশন পৰিষদ |


© ২০২৬ মৃণাল জ্যোতি গোস্বামী

# সূচী


| | | |
|---|---|---|
| ১ | প্ৰদীপ কি | ৪ |
| ২ | খোলা আৰু আৰম্ভ কৰা | ৫ |
| ৩ | পৰ্দাৰ অংশসমূহ | ৬ |
| ৪ | প্ৰথমে কি প্ৰস্তুত কৰিব বাছক | ৮ |
| ৫ | সাতটা স্তৰ | ৯ |
| ৬ | খচৰা আৰু পৰীক্ষা | ১০ |
| ৭ | গ্ৰন্থপঞ্জী | ১১ |
| ৮ | সাহিত্য সন্ধান | ১৩ |
| ৯ | সঁজুলি | ১৪ |
| ১০ | বেকআপ আৰু সুৰক্ষা | ১৫ |
| ১১ | সঘনাই সোধা প্ৰশ্ন | ১৬ |
| ১২ | যোগাযোগ | ১৭ |


এই সহায়িকাত ব্যৱহৃত চিহ্ন

**দ্ৰুত আৰম্ভণি**
কম কথাত কামটো কেনেকৈ কৰিব।

**মনত ৰাখক**
নিয়ম বা পৰামৰ্শ।

**সাৱধান**
কাম হেৰুওৱাৰ আশংকা থকা কথা।

অংশ ১

# প্ৰদীপ কি

প্ৰদীপ অসমীয়া ভাষাত গৱেষণাৰ খচৰা প্ৰস্তুত কৰাৰ এটা বিনামূলীয়া সহায়ক। ইয়াৰ সহায়ত তিনিবিধ নথি প্ৰস্তুত কৰিব পাৰি:

- **স্নাতক বা স্নাতকোত্তৰ ক্ষুদ্ৰ গৱেষণা-গ্ৰন্থ** (Dissertation): স্নাতক বা স্নাতকোত্তৰ পাঠ্যক্ৰমৰ অংশ হিচাপে কৰা সীমিত পৰিসৰৰ গৱেষণাৰ প্ৰস্তাৱ আৰু অধ্যায় বিভাজন।
- **পিএইচ.ডি. গৱেষণাৰ প্ৰস্তাৱ** (Synopsis): পিএইচ.ডি.ত পঞ্জীয়নৰ বাবে জমা দিয়া গৱেষণাৰ পৰিকল্পনা: সমস্যা, প্ৰশ্ন, উদ্দেশ্য, পদ্ধতি আৰু প্ৰস্তাৱিত অধ্যায়।
- **পিএইচ.ডি. গৱেষণা-গ্ৰন্থ** (Thesis): সম্পূৰ্ণ গৱেষণা-গ্ৰন্থ লিখাৰ আগতে অধ্যায় আৰু উপ-অধ্যায়সহ বিশদ ৰূপৰেখা।

প্ৰদীপে আপোনাৰ হৈ গৱেষণা নিলিখে। প্ৰতিটো স্তৰত কি লিখিব লাগে, কেনেকৈ সজাব লাগে আৰু কি বাকী আছে, সেয়া দেখুৱায়। আপুনি লিখা কথা কেৱল আপোনাৰ ডিভাইচৰ ব্ৰাউজাৰতে থাকে; কোনো চাৰ্ভাৰলৈ নাযায়।




**চিত্ৰ ১.১** প্ৰদীপৰ গৃহপৃষ্ঠা। বাওঁফালে সাতটা স্তৰৰ পথ, মাজত পৰিচয় আৰু উৎসৰ্গ।

### দ্ৰুত আৰম্ভণি

১. প্ৰদীপৰ ফাইলটো খুলি **প্ৰৱেশ কৰক** টিপক।

২. গৃহপৃষ্ঠাত কি প্ৰস্তুত কৰিব, তাৰ এটা বিকল্প বাছক।

৩. সাতটা স্তৰ ক্ৰমে পূৰণ কৰক; প্ৰতিটো স্তৰৰ নিৰ্দেশনা পঢ়ি লওক।

৪. **গ্ৰন্থপঞ্জী**ত উৎস যোগ কৰি শৈলী বাছক।

৫. **খচৰা** অংশত পৰীক্ষাৰ তালিকা চাই Word ফাইল লওক।

৬. মাজে মাজে মেনুৰ পৰা **বেকআপ** লওক।

# খোলা আৰু আৰম্ভ কৰা

- **কম্পিউটাৰত:** প্ৰদীপৰ HTML ফাইলটো দুবাৰ টিপক (double-click)। Chrome, Edge, Firefox বা Safari-ত খোল খাব। ইণ্টাৰনেট নালাগে।
- **Android ফোনত:** ফাইলটো Files এপৰ পৰা Chrome-ৰে খোলক। লিংক পালে Chrome-ত খুলি ⋮ মেনুৰ Add to Home screen বা Install app টিপক; ফোনৰ স্ক্ৰীণত আইকন আহিব।
- **iPhone বা iPad-ত:** লিংকটো Safari-ত খুলি Share বুটামৰ Add to Home Screen বাছক।
- খোলাৰ লগে লগে আৰম্ভণিৰ পৃষ্ঠা আহে। **প্ৰৱেশ কৰক** টিপিলে গৃহপৃষ্ঠা খোল খায়; আগতে লিখা কাম থাকিলে তাৰ পৰাই আৰম্ভ হয়।
- ওপৰৰ চন্দ্ৰ বা সূৰ্যৰ বুটামেৰে ক'লা বা বগা পটভূমি বাছিব পাৰি। বাছনিটো মনত থাকে।
- অসমীয়া লিখিবলৈ Android-ত Gboard-ৰ Languages অংশত অসমীয়া যোগ কৰক। Windows-ত Settings, Time & Language, Language-ত অসমীয়া কীবৰ্ড যোগ কৰক।




**চিত্ৰ ২.১** আৰম্ভণিৰ পৃষ্ঠা। ইয়াৰ পৰা প্ৰৱেশ কৰিব বা ব্যৱহাৰ-সহায়িকা খুলিব পাৰি।

# পৰ্দাৰ অংশসমূহ




**চিত্ৰ ৩.১** কম্পিউটাৰৰ পৰ্দা: ১ ওপৰৰ পটি, ২ স্তৰৰ পথ।

1. **ওপৰৰ পটি:** প্ৰদীপৰ নাম, সংৰক্ষণৰ অৱস্থা, পটভূমিৰ বুটাম আৰু মেনু। মেনুত নতুন খচৰা, বেকআপ, ব্যৱহাৰ-সহায়িকা আৰু আৰম্ভণিৰ পৃষ্ঠা আছে।
2. **কম্পিউটাৰত বাওঁফালে:** সাতটা স্তৰৰ পথ। সম্পূৰ্ণ হোৱা স্তৰত শিখা জ্বলে। তাৰ তলত খচৰা, গ্ৰন্থপঞ্জী, সাহিত্য সন্ধান, সঁজুলি, ব্যৱহাৰ-সহায়িকা আৰু সহায়।
3. **ফোনত তলৰ পটি:** গৃহ, স্তৰ, খচৰা, গ্ৰন্থপঞ্জী আৰু **আৰু**। **আৰু** টিপিলে বাকী অংশবোৰ ওলায়।
4. **ফোনত প্ৰতিটো স্তৰৰ ওপৰত** সাতটা ঘৰৰ এডাল ৰেখা থাকে; ঘৰ টিপি যিকোনো স্তৰলৈ যাব পাৰি।




**চিত্ৰ ৩.২** ফোনৰ পৰ্দা: ৩ তলৰ পটি, ৪ স্তৰৰ ৰেখা।

অংশ ৪

# প্ৰথমে কি প্ৰস্তুত কৰিব বাছক

গৃহপৃষ্ঠা বা প্ৰথম স্তৰত তিনিটা বিকল্পৰ এটা বাছক। এই বাছনিৰ ওপৰত খচৰাৰ নাম, অধ্যায়ৰ আৰ্হি আৰু পৰীক্ষাৰ মাপকাঠি নিৰ্ভৰ কৰে:

**স্নাতক বা স্নাতকোত্তৰ ক্ষুদ্ৰ গৱেষণা-গ্ৰন্থ**
Dissertation
স্নাতক বা স্নাতকোত্তৰ পাঠ্যক্ৰমৰ অংশ হিচাপে কৰা সীমিত পৰিসৰৰ গৱেষণাৰ প্ৰস্তাৱ আৰু অধ্যায় বিভাজন।
**মুঠ লিখন: প্ৰায় ৬,০০০–২৫,০০০ শব্দ**

**পিএইচ.ডি. গৱেষণাৰ প্ৰস্তাৱ**
Synopsis
পিএইচ.ডি.ত পঞ্জীয়নৰ বাবে জমা দিয়া গৱেষণাৰ পৰিকল্পনা: সমস্যা, প্ৰশ্ন, উদ্দেশ্য, পদ্ধতি আৰু প্ৰস্তাৱিত অধ্যায়।
**মুঠ লিখন: প্ৰায় ৩,০০০–৬,০০০ শব্দ**

**পিএইচ.ডি. গৱেষণা-গ্ৰন্থ**
Thesis
সম্পূৰ্ণ গৱেষণা-গ্ৰন্থ লিখাৰ আগতে অধ্যায় আৰু উপ-অধ্যায়সহ বিশদ ৰূপৰেখা।
**মুঠ লিখন: প্ৰায় ৬০,০০০–১,০০,০০০ শব্দ**

**চিত্ৰ ৪.১** গৃহপৃষ্ঠাৰ তিনিটা বিকল্প।

| বিকল্প | পূৰ্বকৃত অধ্যয়ন | উদ্দেশ্য | অধ্যায় | মুঠ লিখন |
|---|---|---|---|---|
| **স্নাতক বা স্নাতকোত্তৰ ক্ষুদ্ৰ গৱেষণা-গ্ৰন্থ** Dissertation | অন্ততঃ ৫টা | ২ৰ পৰা ৪টা | অন্ততঃ ৩টা | প্ৰায় ৬,০০০–২৫,০০০ শব্দ |
| **পিএইচ.ডি. গৱেষণাৰ প্ৰস্তাৱ** Synopsis | অন্ততঃ ১০টা | ৩ৰ পৰা ৬টা | অন্ততঃ ৪টা | প্ৰায় ৩,০০০–৬,০০০ শব্দ |
| **পিএইচ.ডি. গৱেষণা-গ্ৰন্থ** Thesis | অন্ততঃ ১৫টা | ৩ৰ পৰা ৬টা | অন্ততঃ ৫টা | প্ৰায় ৬০,০০০–১,০০,০০০ শব্দ |

**ⓘ মনত ৰাখক**

এইবোৰ সাধাৰণ পৰামৰ্শ। আপোনাৰ বিশ্ববিদ্যালয় বা বিভাগৰ নিয়ম বেলেগ হ'লে সেয়াই মানিব।

অংশ ৫

# সাতটা স্তৰ

১. **মৌলিক তথ্য:** গৱেষকৰ নাম, বিভাগ, প্ৰতিষ্ঠান, তত্ত্বাৱধায়ক আৰু শিক্ষাবৰ্ষ। এইবোৰ খচৰাৰ প্ৰথম পৃষ্ঠাত আহে।

২. **বিষয় আৰু শিৰোনাম:** বিষয়-ক্ষেত্ৰ, শিৰোনাম আৰু ৩ৰ পৰা ৫টা মূল শব্দ। শিৰোনামত কি অধ্যয়ন কৰিব, কোন দিশ আৰু সময়, স্থান বা পাঠৰ সীমা থাকিব লাগে।

৩. **পটভূমি আৰু গৱেষণাৰ সমস্যা:** বিষয়টোৰ চমু পৰিচয় আৰু সমস্যাৰ বিবৃতি। বিবৃতিত প্ৰেক্ষাপট, কি কমকৈ আলোচিত, কিয় গুৰুত্বপূৰ্ণ আৰু অধ্যয়নে কি কৰিব, এই চাৰিটা কথা থাকিব।

৪. **পূৰ্বকৃত অধ্যয়ন আৰু গৱেষণাৰ ব্যৱধান:** প্ৰতিটো উৎসৰ লেখক, বছৰ, শিৰোনাম আৰু মূল কথা; শেষত গৱেষণাৰ ব্যৱধান। **গ্ৰন্থপঞ্জীলৈ নিয়ক** বুটামে উৎসটো গ্ৰন্থপঞ্জীত তুলি দিয়ে।

৫. **গৱেষণাৰ প্ৰশ্ন আৰু উদ্দেশ্য:** প্ৰথমে প্ৰশ্ন লিখক; তাৰ পিছত প্ৰতিটো প্ৰশ্নৰ পৰা এটা উদ্দেশ্য গঢ়ক। ক্ৰিয়াৰ বুটামবোৰে উদ্দেশ্যৰ শেষত ক্ৰিয়াপদ বহুৱায়।

৬. **গৱেষণা-পদ্ধতি:** গৱেষণাৰ প্ৰকৃতি, তাত্ত্বিক কাঠামো, তথ্যৰ উৎস, তথ্য সংগ্ৰহৰ পদ্ধতি, নমুনা, বিশ্লেষণ আৰু নৈতিক বিবেচনা।

৭. **পৰিসৰ, গুৰুত্ব আৰু অধ্যায় বিভাজন:** পৰিসৰ, সীমাবদ্ধতা, গুৰুত্ব আৰু অধ্যায়। **আৰ্হি লওক** বুটামে বাছনি অনুসৰি অধ্যায়ৰ ৰূপৰেখা দিয়ে; খালী শিৰোনাম নিজে লিখক।




**চিত্ৰ ৫.১** এটা স্তৰৰ পৃষ্ঠা: ওপৰত নিৰ্দেশনা আৰু বাক্যৰ গঢ়, তলত লিখাৰ ঘৰ।

> ⓘ **নিৰ্দেশনা আৰু বাক্যৰ গঢ়**
>
> প্ৰতিটো স্তৰৰ ওপৰৰ **নিৰ্দেশনা** অংশত চমু নিয়ম, বাক্যৰ গঢ় আৰু উদাহৰণ আছে। বাক্যৰ গঢ়ৰ [ ] অংশ নিজৰ কথাৰে সলনি কৰিব লাগিব; নহ'লে পৰীক্ষাত সোঁৰৰাই দিয়া হয়।

# খচৰা আৰু পৰীক্ষা

- **খচৰা** অংশত লিখা কথাবোৰ নথিৰ আকাৰত সজাই দেখুওৱা হয়। লিখা নোহোৱা অংশত ধূসৰ টোকা থাকে; Word ফাইলত সেইবোৰ নাহে।
- **পৰীক্ষা** তালিকাত কি ঠিক আছে আৰু কি বাকী আছে দেখা যায়। **লিখক** টিপিলে সংশ্লিষ্ট স্তৰলৈ যায়।
- **Word (.docx)** বুটামে খচৰাটো Word ফাইল হিচাপে দিয়ে। **কপি কৰক** টিপি Word বা Google Docs-ত পেষ্ট কৰিব পাৰি। অফলাইন ফাইলত **ছপা বা PDF**ও আছে।
- **আৰ্হি খচৰা চাওক** টিপিলে এটা সম্পূৰ্ণ উদাহৰণ চাব পাৰি; ই আপোনাৰ খচৰা সলনি নকৰে।
- বাংলা ‘ৰ’ আখৰ ধৰা পৰিলে **শুধৰাওক** টিপি ‘ৰ’লৈ সলনি কৰিব পাৰি।




**চিত্ৰ ৬.১** খচৰা আৰু পৰীক্ষাৰ তালিকা।

# গ্ৰন্থপঞ্জী

- ওপৰত শৈলী বাছক: APA ৭ম, MLA ৯ম বা Chicago ১৮তম সংস্কৰণ। শৈলী সলনি কৰিলে গোটেই তালিকা নিজে নিজে সলনি হয়।
- **নতুন উৎস যোগ কৰক**ত উৎসৰ প্ৰকাৰ বাছি ঘৰবোৰ পূৰণ কৰক। লিখাৰ লগে লগে তলত শৈলী অনুসৰি দেখা যায়। ১৬বিধ উৎসৰ তালিকা তলত দিয়া হৈছে।
- লেখকৰ নাম 'উপাধি, নাম' আৰ্হিত লিখক, যেনে: নেওগ, মহেশ্বৰ। একাধিক লেখক ; চিহ্নেৰে পৃথক কৰক।
- অসমীয়া আৰু ইংৰাজী উৎস বেলেগ বেলেগকৈ সজাব পাৰি। অসমীয়া উৎসত অসমীয়া সংখ্যা আৰু দাঁৰি ব্যৱহাৰ হয়।
- প্ৰতিটো উৎসৰ কাষৰ উদ্ধৃতি-চিহ্নৰ বুটামে পাঠৰ ভিতৰত দিবলগীয়া উদ্ধৃতি দিয়ে; Chicago-ত পাদটীকা। পৃষ্ঠা লিখিলে তাতে যোগ হয়।
- খচৰাৰ শেষৰ প্ৰসংগ-গ্ৰন্থপঞ্জী এই তালিকাৰ পৰা আহে। গ্ৰন্থপঞ্জীখন বেলেগকৈ Word ফাইল হিচাপেও ল'ব পাৰি।




**চিত্ৰ ৭.১** গ্ৰন্থপঞ্জীৰ পৃষ্ঠা: শৈলী, উৎসৰ তালিকা আৰু নতুন উৎস যোগ কৰাৰ অংশ।

## উৎসৰ প্ৰকাৰ

গ্ৰন্থ
Book

সম্পাদিত গ্ৰন্থ বা স্মৃতিগ্ৰন্থ
Edited book

অনূদিত গ্ৰন্থ
Translated book

সম্পাদিত গ্ৰন্থ বা স্মৃতিগ্ৰন্থত প্ৰকাশিত প্ৰবন্ধ
Chapter in edited book

অভিধান বা বিশ্বকোষৰ প্ৰবিষ্টি
Dictionary or encyclopedia entry

জাৰ্নেল বা আলোচনীৰ প্ৰবন্ধ
Journal article

আলোচনা সত্ৰৰ পত্ৰ
Conference paper

গৱেষণা-গ্ৰন্থ
Thesis or dissertation

চৰকাৰী বা প্ৰাতিষ্ঠানিক প্ৰতিবেদন
Report

বাতৰি কাকতৰ প্ৰবন্ধ
Newspaper article

ৱেবছাইট বা অনলাইন প্ৰবন্ধ
Website

ভিডিঅ’ বা YouTube
Video

চলচ্চিত্ৰ
Film

গীত বা শ্ৰাব্য ৰেকৰ্ডিং
Song or audio recording

আৰ্কাইভৰ নথি
Archival document

অপ্ৰকাশিত পাণ্ডুলিপি বা পুথি
Unpublished manuscript

## একেটা উৎস তিনিটা শৈলীত

| | |
|---|---|
| **APA ৭ম সংস্কৰণ** | দাস, কমল (২০১০); *[আৰ্হি] ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাস*; আৰ্হি প্ৰকাশন। |
| **MLA ৯ম সংস্কৰণ** | দাস, কমল। *[আৰ্হি] ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাস*। আৰ্হি প্ৰকাশন, ২০১০। |
| **Chicago ১৮তম সংস্কৰণ** | দাস, কমল। *[আৰ্হি] ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাস*। আৰ্হি প্ৰকাশন, ২০১০। |

আৰ্হি উৎস। নাম আৰু শিৰোনাম কাল্পনিক।

> ⓘ **শৈলীৰ নিয়ম**
>
> বিশ্ববিদ্যালয় বা বিভাগে কোনো নিৰ্দিষ্ট শৈলী দিলে সেয়াই মানিব।

# সাহিত্য সন্ধান

- তিনিটা ঘৰত তিনিটা মূল ধাৰণা লিখক; প্ৰতিটো ঘৰত অসমীয়া, ইংৰাজী আৰু বানান-ভেদ কমাৰে পৃথক কৰক। **মূল শব্দৰ পৰা পূৰণ কৰক** বুটামে বিষয়ৰ মূল শব্দ ঘৰত দিয়ে।
- প্ৰদীপে AND, OR আৰু NOT যোগ কৰি অনুসন্ধান-বাক্য গঢ়ে। বছৰৰ সীমা দিব পাৰি।
- **ক'ত বিচাৰিব** তালিকাৰ **খোলক** বুটামে Shodhganga, Shodhgangotri, Google Scholar, Internet Archive, Google Books, DOAJ, CORE, National Digital Library of Indiaত পোনে পোনে বিচাৰে। এই অংশৰ বাবে ইণ্টাৰনেট লাগে।
- পোৱা উৎস **পূৰ্বকৃত অধ্যয়ন** স্তৰত আৰু গ্ৰন্থপঞ্জীত লিখি ৰাখক।




**চিত্ৰ ৮.১** সাহিত্য সন্ধান: মূল ধাৰণাৰ পৰা অনুসন্ধান-বাক্য।

# সঁজুলি

- **অৱগত সন্মতি-পত্ৰ:** লিখিত বা মৌখিক। শিৰোনাম, নাম আৰু প্ৰতিষ্ঠান খচৰাৰ পৰা আহে; সময়, তথ্য সংৰক্ষণৰ সময়সীমা আৰু যোগাযোগ নিজে দিয়ক।
- **সাক্ষাৎকাৰ সহায়িকা:** আৰম্ভণিৰ বাক্য, মূল প্ৰশ্ন আৰু পৰিপূৰক প্ৰশ্ন। **আৰ্হি প্ৰশ্ন লওক** বুটামে কেইটামান সাধাৰণ প্ৰশ্ন দিয়ে; নিজৰ বিষয় অনুসৰি সলনি কৰক।
- দুয়োটা নথি Word ফাইল হিচাপে ল'ব বা কপি কৰিব পাৰি।




**চিত্ৰ ৯.১** সঁজুলি: অৱগত সন্মতি-পত্ৰ।

# বেকআপ আৰু সুৰক্ষা

- লিখা প্ৰতিটো কথা লগে লগে এই ব্ৰাউজাৰতে সংৰক্ষিত হয়; ওপৰত **সংৰক্ষিত** লিখা থাকে।
- আন ডিভাইচত খুলিবলৈ বেকআপ ফাইলটো **বেকআপ খোলক**ৰে খোলক, বা কপি কৰি ৰখা লিখনি **বেকআপ পেষ্ট কৰক**ত দিয়ক।
- মেনুৰ **নতুন খচৰা**ই বৰ্তমানৰ খচৰা মচি নতুনকৈ আৰম্ভ কৰে; আগতে বেকআপ লওক।




**চিত্ৰ ১০.১** মেনুৰ বেকআপ বিকল্পসমূহ।

> ⚠ **সাৱধান**
>
> ব্ৰাউজাৰৰ তথ্য মচিলে বা Incognito বা Private মোডত কাম হেৰাব পাৰে। সেয়েহে মাজে মাজে মেনুৰ **বেকআপ ফাইল** বা **বেকআপ কপি কৰক** ব্যৱহাৰ কৰক।

অংশ ১১

# সঘনাই সোধা প্ৰশ্ন

**প্ৰশ্ন: ইণ্টাৰনেট নহ'লেও চলিবনে?**

উত্তৰ: চলিব। কেৱল সাহিত্য সন্ধানৰ ৱেবছাইটবোৰ খুলিবলৈ ইণ্টাৰনেট লাগে।

---

**প্ৰশ্ন: Word ফাইলত কোনটো ফণ্ট ব্যৱহাৰ হয়?**

উত্তৰ: অসমীয়া আখৰৰ বাবে অসম প্ৰকাশন পৰিষদৰ বাণীকান্ত (Banikanta) ফণ্ট। কম্পিউটাৰত ফণ্টটো ইনষ্টল কৰা থাকিলে প্ৰদীপৰ পৰ্দাতো সেয়াই দেখা যায়। ফণ্টটো পৰিষদৰ ৱেবছাইট publicationboardassam.com-ৰ পৰা বিনামূলীয়াকৈ নমাব পাৰি।

---

**প্ৰশ্ন: Word ফাইলত অসমীয়া আখৰ ঠিকমতে দেখা নাই।**

উত্তৰ: বাণীকান্ত ইনষ্টল কৰক, বা Word-ত Nirmala UI বা অসমীয়া সমৰ্থন কৰা আন কোনো Unicode ফণ্ট বাছক।

---

**প্ৰশ্ন: ফোনত লিখা কাম কম্পিউটাৰত কেনেকৈ পাম?**

উত্তৰ: ফোনত বেকআপ লৈ কম্পিউটাৰত বেকআপ খোলক।

---

**প্ৰশ্ন: প্ৰদীপে মোৰ হৈ লিখি দিবনে?**

উত্তৰ: নিদিয়ে। গৱেষণা আপোনাৰ নিজৰ লিখা হ'ব লাগিব; প্ৰদীপে গঢ়, নিয়ম আৰু পৰীক্ষাহে দিয়ে।

---

**প্ৰশ্ন: মোৰ লিখা কথা আনে দেখিবনে?**

উত্তৰ: নেদেখে। সকলো কথা আপোনাৰ ডিভাইচতে থাকে। আপুনি নিজে Word ফাইল বা বেকআপ পঠিয়ালেহে আনে দেখে।

# যোগাযোগ

প্ৰশ্ন বা পৰামৰ্শ থাকিলে ই-মেইল কৰক: mrinal.goswami2026@gmail.com

ইয়াতকৈ অধিক প্ৰয়োজন হ'লে 'মৃণালৰ অসমীয়া গৱেষণাৰ প্ৰণালীতত্ত্বৰ ষ্টুডিঅ” ক্ৰয় কৰিব পাৰে। তাত ৪৯টা তত্ত্বৰ তত্ত্বকোষ আৰু প্ৰশ্নৰ জালি, মূল শব্দৰ মানচিত্ৰ আৰু অনুসন্ধানৰ অভিলেখ, সম্পূৰ্ণ গৱেষণা-কৰ্ম লিখনৰ নিৰ্দেশনা, তত্ত্বাৱধায়কৰ পৰ্যালোচনা আৰু খচৰাৰ সংস্কৰণ, ক্ষেত্ৰ-টোকা আৰু ক'ডিং আৰু প্ৰশ্নাৱলী, পৰ্যবেক্ষণ তালিকা আৰু বানান-পৰীক্ষা আছে।

গৱেষণাৰ প্ৰণালীতত্ত্ব বিশদভাৱে জানিবলৈ ড° মৃণাল জ্যোতি গোস্বামীৰ 'গৱেষণাৰ প্ৰণালীতত্ত্ব আৰু প্ৰয়োগ' (সম্প্ৰীতি প্ৰকাশন, ২০২৬) গ্ৰন্থখন পঢ়ক।

© ২০২৬ মৃণাল জ্যোতি গোস্বামী

# এই সংস্কৰণত নতুন কি আছে

প্ৰদীপ ১·২৫ অক্টোবৰ ২০২৬ত গুৱাহাটীত BBITF ২০২৬ৰ উদ্বোধনী অনুষ্ঠানত মুকলি

## প্ৰদীপত

- WhatsApp বা আন কোনো প্ৰিভিউত এপটো নচলিলে এতিয়া স্পষ্ট বাৰ্তা দেখা যায়: লিংকটো Chrome বা Safari-ত খোলক।
- কম্পিউটাৰৰ বাবে একক ফাইল `PRADIP-1.html` aank.org-ৰ প্ৰদীপৰ পৃষ্ঠাৰ পৰা ডাউনল'ড কৰিব পাৰি।
- ইনষ্টল কৰা আৰু খচৰা সুৰক্ষিতে ৰখাৰ নিয়ম এতিয়া বেলেগ 'ইনষ্টলেচন নিৰ্দেশিকা'ত দিয়া হৈছে।
- নতুন ৱেব ঠিকনা: `https://aank.org/apps/pradip/`। ফ'ন, টেবলেট বা কম্পিউটাৰত ইনষ্টল কৰিব পাৰি; তাৰ পাছত ইণ্টাৰনেট নোহোৱাকৈও চলে আৰু নিজে নিজে আপডেট হয়।

> এই নিৰ্দেশিকাত পুৰণি ৱেব ঠিকনা থাকিলে এইবোৰ ব্যৱহাৰ কৰক: এপ `https://aank.org/apps/pradip/` আৰু তাৰ পৃষ্ঠা `https://aank.org/digital-tools/pradip/`।